# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-01-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
***::::::::::::::::::::::::::::::***

১। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা শেষ হ'লেই ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২। মহিলা উদ্যমিতা আঁচনিৰ অধীনত ২ হাজাৰ কোটি টকাত ৰাজ্য চৰকাৰৰ অনুমোদন

৩। আজি সুন্দৰৰ পূজাৰী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৭৪ সংখ্যক স্মৃতি দিৱস। ৰাজ্যজুৰি শিল্পী দিৱস পালন।

৪। ৰাজ্যৰ ১৪খন জিলাত আজিৰে পৰা চলিত বৰ্ষৰ গুণোৎসৱৰ দ্বিতীয় পৰ্যায়।

*আৰু*

৫। অসমৰ মহিলাৰ ২৩ বছৰ অনুৰ্দ্ধৰ সৰ্বভাৰতীয় টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ।

০০০০

উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা শেষ হ'লেই ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। কালি মৰিগাঁৱত অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই কথা সদৰী কৰে। তেওঁ কয়, যে উচ্চতৰ মাধ্যমিক পৰীক্ষা শেষ হোৱাৰ পিছদিনাই পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি কৰা হ'ব। এই সন্দৰ্ভত ডঃ শৰ্মাই এইদৰে কয়-

*–বাইট–*

চৰকাৰে পৰীক্ষাৰ মাজত কোনো নিৰ্বাচন অনুষ্ঠিত নকৰে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বিজেপি চৰকাৰে পঞ্চায়ত নিৰ্বাচনতকৈ ৰাজ্যত ছাত্ৰ-ছাত্ৰীসকলৰ কল্যাণত বেছিকৈ গুৰুত্ব দিয়ে।

০০০০

ৰাজ্য চৰকাৰে মহিলা উদ্যমিতা আঁচনিৰ অধীনত ২ হাজাৰ কোটি টকাৰ অনুমোদন জনাইছে। এই আঁচনিৰ অধীনত মহিলাসকলক তিনিটা পৰ্যায়ত ঋণ আৰু ৰাজ সাহায্য প্ৰদান কৰা হ'ব। কালি মৰিগাঁৱত অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰে। তেওঁ লগতে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ আঁচনিৰ অধীনত ৭৫ হাজাৰ যুৱক-যুৱতীলৈ ৰাজ সাহায্যযুক্ত ঋণ প্ৰদান কৰা হ'ব বুলি উল্লেখ কৰে। মন্ত্ৰীসভাৰ বৈঠকত বিটিআৰৰ উন্নয়নৰ বাবে ৪০১ কোটি টকাৰ পুঁজিৰ অনুমোদন জনোৱা হয়। অংগনৱাড়ী কেন্দ্ৰৰ সঠিক কাৰ্যকৰীকৰণৰ বাবে অংগনৱাড়ী কেন্দ্ৰ ব্যৱস্থাপনা সমিতি গঠনৰ নিৰ্দেশনাতো মন্ত্ৰীসভাই কালি অনুমোদন দিয়ে।

মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰে উমৰাংছ'ৰ তিন কিল' কয়লাখনিত সংঘটিত দুৰ্ঘটনা সন্দৰ্ভত তদন্ত কৰাৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ অনিমা হাজৰিকাৰ নেতৃত্বত এখন ন্যায়িক তদন্ত আয়োগ গঠন কৰিব বুলি ঘোষণা কৰে। ডঃ শৰ্মাই কয়, যে কয়লাখনিত নিহত ৪ জন শ্ৰমিকৰ নিকটাত্মীয়লৈ ১০ লাখ টকাকৈ এককালীন সাহায্য প্ৰদান কৰা হ'ব। সন্ধেদ নোপোৱা আন ৫ জন শ্ৰমিকৰ পৰিয়াললৈও ১০ লাখ টকাৰ ক্ষতিপূৰণ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যত ৰেট হোল খননৰ সন্দৰ্ভত সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপৰ বাবে নিৰ্দেশনা যুগুত কৰা হ'ব।

ইপিনে, ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত মৰিগাঁও জিলাৰ উন্নয়নৰ বাবে বহুকেইটা প্ৰকল্পত অনুমোদন জনোৱা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে মৰিগাঁও জিলাৰ উন্নয়ন আৰু বিকাশৰ বাবে মন্ত্ৰীসভাৰ বৈঠকত ২৯২ কোটি টকাৰ প্ৰকল্পৰ অনুমোদন জনায়। জোনবিল মেলাৰ স্থানত মঞ্চ নিৰ্মাণৰ বাবে ৫ কোটি টকা, মৰিগাঁৱৰ নতুন আৱৰ্ত ভৱন নিৰ্মাণৰ বাবে ১৫ কোটি টকা, তিৱা সাহিত্য সভা ভৱন নিৰ্মাণৰ বাবে ১ কোটি টকা আগবঢ়াবলৈ

বৈঠকত সিদ্ধান্ত লোৱা হয়। জিলাখনৰ শতবৰ্ষ গৰকা ৯ খন বিদ্যালয়ৰ উন্নয়নৰ বাবে ৮ কোটি টকাকৈ আগবঢ়াবলৈও বৈঠকত সিদ্ধান্ত লোৱা হয়।

০০০০

সুন্দৰৰ পূজাৰী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৭৪ সংখ্যক স্মৃতি দিৱস আজি ৰাজ্যজুৰি শিল্পী দিৱস হিচাপে পালন কৰা হৈছে। ১৯৫১ চনৰ আজিৰ দিনটোতে সব্যসাচী শিল্পীগৰাকীৰ দেহাৱসান ঘটিছিল। সমগ্ৰ অসমবাসীয়ে এই দিনটোক প্ৰতিবছৰে শিল্পী দিৱস হিচাপে পালন কৰি আহিছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি শিল্পী দিৱস উপলক্ষে ৰূপকোঁৱৰৰ সোঁৱৰণত ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু গোলাঘাট জিলা প্ৰশাসনৰ সহযোগত গোলাঘাটত এই দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানতে বিশিষ্ট সংগীত শিল্পী ড° অনিমা চৌধুৰী আৰু মুকুল ৰাভাক চলিত বৰ্ষৰ শিল্পী বঁটা প্ৰদান কৰা হ'ব। বিগত বৰ্ষৰ সন্মানীয় নটসূৰ্য্য ফণী শৰ্মা বঁটা বিশিষ্ট অভিনেত্ৰী ৰেবা ফুকনলৈ, সাহিত্যচাৰ্য অতুল চন্দ্ৰ হাজৰিকা বঁটা প্ৰবীন অভিনেত্ৰী হীৰা নেওগলৈ আৰু জননেতা ভীমবৰ দেউৰী বঁটা বিশিষ্ট সমাজকৰ্মী জলেশ্বৰ ব্ৰহ্মলৈ আগবঢ়োৱা হব। এই অনুষ্ঠানত বিত্ত, মহিলা আৰু শিশু কল্যান মন্ত্ৰী অজন্তা নেওগ, কৃষিমন্ত্ৰী অতুল বৰা আৰু সাংসদ কামাখ্যাপ্ৰসাদ তাচাৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা।

একেদৰে, সদৌ অসম ছাত্ৰ সন্থাই হোজাই জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু কাকী আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত কালিৰে পৰা দুদিনীয়াকৈ হোজাইত কেন্দ্ৰীয়ভাৱে শিল্পী দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। কালি প্ৰথম দিনা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ এটা আৱক্ষ প্ৰতিমূৰ্তি উন্মোচন কৰা হয়। অনুষ্ঠানৰ অংশ হিচাপে জিলাভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতা, সদৌ অসম ভিত্তিক মুকলি কুইজ আৰু জ্যোতি সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। নিশাৰ ভাগত নাট্যানুষ্ঠানত ৰূপকোঁৱৰৰ কালজয়ী নাট ৰূপালীম পৰিবেশন কৰা হয়। আজিৰ অনুষ্ঠানত কেইবাগৰাকীও শিল্পীক সম্বৰ্ধনা জনোৱাৰ উপৰি মুকলি সভা আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

যোৰহাট সাংস্কৃতিক মঞ্চৰ উদ্যোগত জিলা পুথিভঁৰালত আজি শিল্পী দিৱসৰ কাৰ্যসূচী লোৱা হৈছে।

নলবাৰী জিলাৰ কৰিয়া বিজুলীঘাটৰ বিহগী কবি ৰঘুনাথ চৌধাৰী শিশু উদ্যানতো শিল্পী দিৱসৰ আয়োজন কৰা হৈছে। এই উপলক্ষে কৰিয়া সংগীত বিদ্যালয়ৰ সৌজন্যত জ্যোতি সংগীত আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০

ৰাজ্যৰ ১৪খন জিলাত চলিত বৰ্ষৰ দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ আজিৰে পৰা ২২ জানুৱাৰীলৈ অনুষ্ঠিত হ'ব। দ্বিতীয় পৰ্যায়ত হ'বলগীয়া জিলাকেইখন ক্ৰমে বাক্সা, চৰাইদেউ, চিৰাং, ধেমাজি, ধুবুৰী, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, কামৰূপ মহানগৰ, শোণিতপুৰ, তামুলপুৰ, তিনিচুকীয়া আৰু কাৰ্বি আংলং। আজি আটাইকেইখন জিলাতে গুণোৎসৱৰ স্ব-মূল্যায়ন আৰু ২০ৰ পৰা ২২ জানুৱাৰীলৈ বহিঃমূল্যায়ন কৰা হ'ব। গুণোৎসৱে ১৪খন জিলাৰ ১৫ হাজাৰ ৬৬৩খন বিদ্যালয়ৰ ১৪ লাখ ১৪ হাজাৰ ৯৩২ গৰাকী ছাত্ৰ-ছাত্ৰীক সামৰি ল'ব। বহিঃমূল্যায়নত ৬ হাজাৰ ২৫৩ গৰাকী মন্ত্ৰী, সাংসদ, বিধায়ক আৰু চৰকাৰী বিষয়াই পৰ্যবেক্ষক হিচাপে অংশগ্ৰহণ কৰিব।

০০০০

অসম প্ৰদেশ বিজেপিৰ পৰৱৰ্তী সভাপতিৰ নাম আজি দুপৰীয়া বিজেপি দলে আনুষ্ঠানিকভাৱে ঘোষণা কৰিব। দৰং-ওদালগুৰি জিলাৰ সাংসদ তথা কেন্দ্ৰীয় বিজেপিৰ প্ৰাক্তন সাধাৰণ সম্পাদক দিলীপ শইকীয়াই ৰাজ্যিক বিজেপিৰ নতুন সভাপতি হিচাপে নিৰ্বাচিত হোৱাটো প্ৰায় নিশ্চিত হৈছে। কালি সন্ধিয়া বিজেপিৰ বিদায়ী ৰাজ্যিক সভাপতি ভৱেশ কলিতা, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় নেতৃত্বৰ উপস্থিতিত একমাত্ৰ সাংসদ দিলীপ শইকীয়াই সভাপতি পদৰ বাবে মনোনয়ন দাখিল কৰে। কেন্দ্ৰীয় বিষয়ববীয়াৰে দীঘলীয়া আলোচনাত মিলিত হৈ বিদায়ী সভাপতি ভৱেশ কলিতা আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সভাপতি পদৰ প্ৰাৰ্থী হিচাপে দিলীপ শইকীয়াক মনোনীত কৰে। আজি ঘোষণা হ'বলগীয়া বিজেপিৰ নতুন সভাপতিয়ে ২০২৬ চনত বিধানসভা নিৰ্বাচনত প্ৰদেশ বিজেপিক নেতৃত্ব দিব। কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে কয়-

**ঃবাইটঃ**

০০০০

মৰিগাঁও জিলাৰ জাগীৰোডৰ জোনবিলৰ পাৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলাৰ আজি দ্বিতীয় দিনত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। পুৱাৰে পৰা জোনবিল মেলাত ঐতিহাসিক বিনিময় প্ৰথাৰে খাদ্যসামগ্ৰীৰ লগতে আন আন সামগ্ৰীৰ আদান-প্ৰদান কৰা হৈছে। পুৱা ৯ বজাত অৰম বিলত গোভা ৰজাৰ নিৰ্দেশিত সমূহীয়া মাছ ধৰা পৰ্ব আৰম্ভ হৈছে। দিনৰ ভাগত জোনবিল মেলাত পৰম্পৰাগত খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়াৰ ভাগলৈ জোনবিল মেলাত উত্তৰ পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যৰ পৰা অহা ভিন্ন সাংস্কৃতিক দলে অনুষ্ঠান পৰিৱেশন কৰিব। কালি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই জোনবিল মেলাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মধ্য অসমৰ ২২ গৰাকী তিৱা ৰজাক ৰাজভাট্টা প্ৰদান কৰে। গোভা ৰজাৰ প্ৰথম ৰাজদৰবাৰত মুখ্যমন্ত্ৰী উপস্থিত হৈ জোনবিল মেলাৰ উন্নয়ন আৰু স্থায়ী সভাঘৰ নিৰ্মাণৰ বাবে ৫ কোটি টকাৰ আৰ্থিক অনুদান আগবঢ়োৱাৰ কথা ঘোষণা কৰে। শ্ৰীশৰ্মাই লগতে তিৱা ৰাজ্যৰ বুৰঞ্জী শীৰ্ষক এখন গ্ৰন্থও উন্মোচন কৰে। অনুষ্ঠানত কেইবাগৰাকীও মন্ত্ৰী, বিধায়ক, তিৱা স্বায়ত্ত শাসিত পৰিষদৰ পাৰিষদসকল, গোভা দেওৰজা আৰু জিলাখনৰ আয়ুক্তসহ কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

আজি প্ৰকাশিত প্ৰায় কেইখন বাতৰি কাকতে বহুকেইটা গুৰুত্বপূৰ্ণ বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে।

মৰিগাঁৱত অনুষ্ঠিত ৰাজ্যিক কেবিনেটৰ সিদ্ধান্ত অনুসৰি উমৰাংছুত থকা ২২০টা অবৈধ কয়লাখনি পুতি পেলোৱা হ'ব। এই বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে **উমৰাংছুত ২২০টা অবৈধ কয়লাখনি** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। ৰাজ্যিক কেবিনেটে গ্ৰহণ কৰা আন কেইটাও গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ বাতৰিক গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। **আমাৰ অসম** কাকতৰ শিৰোনাম **উমৰাংছু ট্ৰেজেডীৰ ন্যায়িক তদন্ত। দৈনিক জনমভূমি** কাকতৰ শিৰোনাম**ৰ উমৰাংছুৰ ২২০টা অবৈধ খাদ পুতি পেলাবলৈ নিৰ্দেশ, ন্যায়িক তদন্ত ঘোষণা।** একেটা বাতৰিকে **দি আছাম ট্ৰিবিউন** কাকতে Government Announces probes into coal mine incident শিৰোনামেৰে প্ৰধান বাতৰিত স্থান দিছে।

মহাকাশ গৱেষণাৰ নতুন নিদৰ্শন স্থাপনেৰে বিশ্বৰ চতুৰ্থখন দেশ হিচাপে মহাশূন্যত ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছ'ৰোৱে দুটা কৃত্ৰিম উপগ্ৰহ সংযুক্তকৰণ অৰ্থাৎ ডকিং পৰীক্ষা সফলতাৰে সম্পন্ন কৰাৰ বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে **মহাশূন্যত ইছৰোৰ সফল ডকিং পৰীক্ষা** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় চৰকাৰে কৰ্মচাৰীৰ দৰমহাৰ গাঁথনি আৰু ভাট্টাৰ বৃদ্ধি তথা পৰ্যালোচনাৰ বাবে অষ্টম কেন্দ্ৰীয় দৰমহা আয়োগ গঠন কৰাৰ বাতৰিটো **দৈনিক জনমভূমি** কাকতে **অষ্টম দৰমহা আয়োগ গঠন কেন্দ্ৰ**ৰ শিৰোনামেৰে মুখ্য বাতৰিত স্থান দিছে।

বিত্ত বিভাগৰ তথ্য অনুসৰি বিত্তীয় বৰ্ষটোৰ অন্ত পৰিবলৈ কেইটামান মাহ বাকী থকা অৱস্থাত এই পৰ্যন্ত ৰাজ্যত বাজেট আৱণ্টৰ মাত্ৰ ৫১ শতাংশহে ব্যয় হৈছে। এই বাতৰিটো **দৈনিক অসম** কাকতে **৯ মাহত বাজেট ব্যয় মাত্ৰ ৫১ শতাংশ** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

আহক, এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০

অসমে ত্ৰিবান্দ্ৰমত অনুষ্ঠিত মহিলাৰ ২৩ বছৰ অনুৰ্দ্ধৰ সৰ্বভাৰতীয় টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। অসমে কালি ত্ৰিবান্দ্ৰমৰ ছেইণ্ট জেভিয়াৰ্ছ কে চি এ ক্ৰিকেট গ্ৰাউণ্ডত অনুষ্ঠিত এখন খেলত বিদৰ্ভক ৩ উইকেটত পৰাস্ত কৰে। খেলখনত বিদৰ্ভই প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১০৩ ৰাণ কৰে। প্ৰত্যুত্তৰত অসমে ১৮ অভাৰ আৰু ৫টা বলত সাতটা উইকেট হেৰুৱাই ১০৬ ৰাণ কৰে। অসমৰ হৈ গায়ত্ৰী গুৰুঙে ৩২টা বলত ৩২ আৰু ফ্ল'ৰিনা টায়েই ৩৯টা বলত ২৬ ৰাণ কৰে। অসম কাইলৈ কোৱাৰ্টাৰ ফাইনেলত কেৰালাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ফৰকাল হৈ থাকিব। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন

তাপমাত্ৰা ১১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৭ দশমিক ২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১১ ডিগ্ৰী ছেলছিয়াছ।

০০০০

গুৱাহাটীৰ ৱায়াৰলেছৰ বশিষ্টপুৰ প্ৰথম উপ-পথ নিবাসী অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ অৱসৰপ্ৰাপ্ত অধীক্ষক অভিযন্তা অমূল্য গোস্বামীৰ বাৰ্ধক্যজনিত কাৰণত কালি সন্ধিয়া দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৫ বছৰ। অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পৰা শিক্ষা সমাপ্ত কৰি তেওঁ অসম চৰকাৰৰ গড়কাপ্তানি বিভাগৰ যান্ত্ৰিক শাখাত যোগদান কৰি পৰৱৰ্ত্তী সময়ত অধীক্ষক অভিযন্তা ৰূপে অৱসৰ গ্ৰহণ কৰে। তেওঁ ইনষ্টিটিউচন অব ইঞ্জিনীয়াৰ্ছৰ সভাপতিৰ লগতে থিয়'চফিকেল ছ'চাইটী অসম শাখাৰো সক্ৰিয় সদস্য আছিল। আজি নৱগ্ৰহ শ্মশানত প্ৰয়াত গোস্বামীৰ শেষকৃত্য সম্পন্ন কৰা হ'ব।

০০০০

সমাপ্ত